# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2024
**Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।

২। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত আজি পুৱা কেৰালাৰ পাল্লাকাড়ত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

৩। নতুন দিল্লীত লোকসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰত অনুমোদন জনোৱাৰ উদ্দেশ্যে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ বৈঠক অনুষ্ঠিত হৈছে।

৪। মহাৰাষ্ট্ৰৰ গড়চিয়ৰলি জিলাৰ ৰেপানপল্লিৰ বনাঞ্চলত আজি পুৱা নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ সৈতে হোৱা এটা সংঘৰ্ষত চাৰিটা মাওবাদী নিহত হয়।

আৰু

৫। নাগালেণ্ডৰ ডিমাপুৰ আৰু ক'হিমাত কালি আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানেৰে তৃতীয় উত্তৰ-পূব ক্ৰীড়া আৰম্ভ হৈছে।

০০০০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ ১০২খন লোকসভা আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮ খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫খনকৈ, মণিপুৰ, মেঘালয় আৰু অৰুণাচল প্ৰদেশত দুখনকৈ, ছট্টিশগড়, মিজোৰাম, নগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীত এখনকৈ আসনৰ বাবে প্ৰথম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব। চলিত মাহৰ ২৭ তাৰিখলৈকে মনোনয়ন পত্ৰসমূহ দাখিল কৰিব পৰা যাব। অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দেশত সৰ্বমুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব। নিৰ্বাচন আয়োগ দেশৰ এই সৰ্ববৃহৎ সাধাৰণ নিৰ্বাচন সুচাৰুৰূপে তথা নিৰাপদভাৱে অনুষ্ঠিত কৰাৰ বাবে বদ্ধপৰিকৰ। আয়োগে নিৰ্বাচনৰ সময়ছোৱাত দেখা দিব পৰা বিভিন্নধৰণৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে যথাযথ পৰিকল্পনা গ্ৰহণ কৰিছে। ধনবল, বাহুবলৰ লগতে ভুৱা তথ্য প্ৰচাৰ আৰু হিংসা তথা নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰাৰ দৰে ঘটনা এনে সময়ত ঘটিব পাৰে বুলি নিৰ্বাচন আয়োগে আশংকা প্ৰকাশ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ব্যৱস্থা কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত আজি পুৱা কেৰালাৰ পাল্লাকাড়ত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছত প্ৰধানমন্ত্ৰী শ্ৰী মোদীৰ কেৰালাত এইটো প্ৰথম প্ৰচাৰ অভিযান আছিল।  এই ৰোড শ্ব'ত দলৰ বহুসংখ্যক লোকে দলৰ পতাকা আৰু প্লেকাৰ্ড প্ৰদৰ্শন কৰি শ্ৰী মোদীক আদৰণি জনায়। অনুষ্ঠানত দলৰ ৰাজ্যিক সভাপতি কে সুৰেন্দ্ৰনৰ উপৰি পাল্লাকাড় আৰু পোন্নানী সংসদীয় সমষ্টিৰ বিজেপিৰ

প্ৰাৰ্থীসকল উপস্থিত থাকে। ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ পাছতে শ্ৰী মোদীয়ে তামিলনাডুৰ চালেমলৈ বুলি ৰাওনা হৈছে। তাত তেওঁ এখন জনসভাত ভাষণ দিব। কালি সন্ধিয়া তেওঁ কইমবাট'ৰত এখন জনসভাত অংশগ্ৰহণ কৰে। তেওঁ ১৯৯৮ চনত কইমবাটৰৰ বোমা বিস্ফোৰণত মৃত্যুবৰণ কৰা লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

০০০০০০০

নতুন দিল্লীত লোকসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ বৈঠক অব্যাহত আছে। এই বৈঠকত দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, প্ৰাক্তন সভাপতি ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী ৰাদ্ৰা, পি চিদম্বৰম, দ্বিগ্বিজয় সিং, অজয় মাকেল আৰু কে চি বেণুগোপালকে ধৰি অন্যান্য জ্যেষ্ঠ নেতাসকলে অংশগ্ৰহণ কৰিছে। আনহাতে, লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়েও আজি সন্ধিয়া প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

১৯৯২ বৰ্ষৰ আই এফ এছ বিষয়া বিনয় কুমাৰক ৰাছিয়াত ভাৰতৰ পৰৱৰ্তী ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান শ্ৰী কুমাৰ ম্যানমাৰত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে কৰ্মৰত হৈ আছে।

০০০০০০০

ঝাৰখণ্ডৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণক তেলেংগানা আৰু পুডুচেৰীৰ উপ-ৰাজ্যপাল হিচাপে অতিৰিক্ত দায়িত্ব অৰ্পন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ড° তামিলি চাই সুন্দৰৰাজনৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰাৰ পাছতে ৰাধাকৃষ্ণনক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আসন্ন নিৰ্বাচনত তামিলনাডুৰ লোকসভা আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে সুন্দৰৰাজনে কালি তেলেংগানাৰ ৰাজ্যপাল আৰু পুডুচেৰীৰ উপ-ৰাজ্যপাল পদৰ পৰা পদত্যাগ কৰে।

০০০০০০০

মহাৰাষ্ট্ৰৰ গড়চিয়ৰলি জিলাৰ ৰেপানপল্লিৰ বনাঞ্চলত আজি পুৱা নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ সৈতে হোৱা এটা সংঘৰ্ষত চাৰিটা মাওবাদী নিহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি পুৱাৰ ভাগত বিশেষ অভিযান শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক য়টিছ দেশমুখৰ নেতৃত্বত নিৰাপত্তা দলে চলোৱা এটা অনুসন্ধানমূলক অভিযানত মাওবাদীয়ে বন্দুকেৰে গুলীচালনা আৰম্ভ কৰে। নিৰাপত্তা বাহিনীৰ জোৱানসকলেও গুলীচালনাৰ উচিত প্ৰত্যুত্তৰ দিয়ে। অঞ্চলটোত মাওবাদীৰ উপস্থিতিৰ বিষয়ে নিৰ্ভৰযোগ্য চোৰাংচোৱা সূত্ৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত এই অভিযান চলোৱা হৈছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। গুলীচালনা বন্ধ হোৱাৰ পাছত অঞ্চলটোত চাৰিটা মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হয়। ইয়াৰোপৰি এটা এ কে ফৰ্টি ছেভেন ৰাইফল, এটা কাৰ্বাইন, দুটা দেশত নিৰ্মিত পিষ্টল আৰু ভালেমান নথিপত্ৰ ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হয়। মহাৰাষ্ট্ৰ চৰকাৰে এই মাওবাদীকেইটাৰ বিনিময়ত ৩৬ লাখ টকাৰ বঁটা ঘোষণা কৰি থৈছিল। অঞ্চলটোত সম্প্ৰতি তদন্ত আৰু নক্সালবিৰোধী অভিযান অব্যাহত আছে।

০০০০০০০

বুলগেৰিয়াৰ ৰাষ্ট্ৰপতি ৰুমেন ৰাদেৱে দেশখনৰ এম ভি ৰুয়েন নামৰ অপহৃত জাহাজখন উদ্ধাৰ কৰাৰ বাবে ভাৰতীয় নৌসেনাই চলোৱা সফল উদ্ধাৰ অভিযানৰ বাবে নেতাগৰাকীয়ে ভাৰতীয় নৌসেনাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত বুলগেৰিয়াৰ ৭জন নাগৰিককে ধৰি জাহাজখনত কাম কৰা কৰ্মচাৰীসকলক উদ্ধাৰ কৰাৰ বাবে শ্ৰীৰাদেৱে ভাৰতীয় নৌসেনাক ধন্যবাদ জ্ঞাপন কৰিছে। ইয়াৰ পূৰ্বে বুলগেৰিয়াৰ বিদেশ মন্ত্ৰী মাৰিয়া গেব্ৰিয়েলে দেশখনত থকা ভাৰতৰ ৰাষ্ট্ৰদূত সঞ্জয় ৰাণাৰ সৈতে মত বিনিময় কৰে আৰু দেশখনৰ নাগৰিকসকলক উদ্ধাৰ কৰাৰ বাবে শ্ৰীৰাণাক ধন্যবাদ জ্ঞাপন কৰে। জাহাজৰ সকলো কৰ্মচাৰীয়ে বৰ্তমান সুস্থ আৰু তেওঁলোকে যাতে সময়মতে বুলগেৰিয়ালৈ ঘূৰি যাব পাৰে তাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে।

উল্লেখযোগ্য যে বুলগেৰিয়াৰ ৭জন, ম্যানমাৰৰ ৯জন আৰু আংগোলাৰ এজন নাগৰিক কঢ়িয়াই নিয়া এম ভি ৰুয়েন জাহাজখনক যোৱা বছৰ ডিচেম্বৰ মাহত ছ'ক'ট্ৰাৰ য়েমেনি দ্বীপৰ সমীপৰ আৰৱ সাগৰত সামুদ্ৰিক ডকাইতে অপৰহণ কৰিছিল। ভাৰতীয় নৌসেনাৰ সূত্ৰই জনোৱা মতে চল্লিছ ঘণ্টা ধৰি চলা এই অভিযানত আই এন এছ্ কলকাতাক ভাৰতৰ যুদ্ধ জাহাজ আই এন এছ্ সুভদ্ৰায়ো যথেষ্ট সহায় কৰিছিল।

ooooo

২০১৮ চনৰ পাছত নতুন দিল্লী একেৰাহে চতুৰ্থ বাৰৰ বাবে বিশ্বৰ সবাতোকৈ প্ৰদূষিত ৰাজধানী চহৰ হিচাপে পৰিগণিত হৈছে। চুইজাৰলেণ্ডৰ সংস্থা IQ AIR-ৰ দ্বাৰা পৰিচালিত বায়ুৰ মান প্ৰতিবেদন ২০২৩ অনুসৰি ২০২২-ত দিল্লীত বতাহৰ মান PM 2.5ৰ স্তৰ প্ৰতি ঘন মিটাৰত ৮৯ দশমিক ১ মাইক্ৰ'গ্ৰামৰ পৰা অৱনমিত হৈ ২০২৩ ত প্ৰতি ঘন মিটাৰত ৯২ দশমিক ৭ মাইক্ৰ'গ্ৰাম হৈছেগৈ। উল্লেখযোগ্য যে বিহাৰৰ বেগুচৰাই বিশ্বৰ আটাইতকৈ প্ৰদূষিত মহানগৰ হিচাপে পৰিগণিত হৈছে।

ooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা- প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ আজি অন্তিম দিন।

ooooo

নাগালেণ্ডৰ ডিমাপুৰ আৰু ক'হিমাত কালি আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানেৰে তৃতীয় উত্তৰ-পূব ক্ৰীড়া আৰম্ভ হৈছে। নিশা ৭ বজাত ডিমাপুৰৰ ছুমৌকেডিমাত নতুনকৈ নিৰ্মাণ কৰা গেমছ ভিলেজত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ৰিঅ'ই কয় যে উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়াৰ যথেষ্ট সম্ভাৱনীয়তা আছে। উত্তৰ-পূব ক্ৰীড়া মহোৎসৱে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ মাজত থকা একতাক অনুপ্ৰাণিত কৰাৰ লগতে অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভাসমূহক তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শনৰ বাবে এখন উপযুক্ত মঞ্চ প্ৰদান কৰিব বুলিও তেওঁ কয়। উদ্বোধনী অনুষ্ঠানত বিভিন্ন শিল্পীয়ে নানান কাৰ্যসূচী পৰিৱেশন কৰে। উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ তিনি হাজাৰতকৈ অধিক খেলুৱৈয়ে মুঠ ১৫ বিধ খেলত প্ৰতিদ্বন্দ্বিতা কৰিব। এই প্ৰতিযোগিতাত অংশ লোৱাৰ উদ্দেশ্যে প্ৰায় তিনিশ খেলুৱৈৰে গঠিত অসমৰ প্ৰথমটো দল পুৱাই গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অহা ২৩ মাৰ্চত সামৰণি পৰিব লগা প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**